ষষ্ঠ সংস্কৰণ (VER 6.1)

॥ श्रीहरिः ॥

# ॥ স্তৰ ১ - শ্ৰীমদ্ভগৱদ্গীতা শুদ্ধ উচ্চাৰণ নিৰ্দেশনাৱলী ॥

**(এই নিৰ্দেশনাৱলী প্ৰাৰম্ভিক স্তৰৰ প্ৰশিক্ষাৰ্থীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে)**

## হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণৰ নিয়ম –

- হ্ৰস্ব **অ, ই, উ, ঋ, ঌ** - এই বৰ্ণকেইটাৰে হোৱা বৰ্ণৰ উচ্চাৰণ হ্ৰস্ব বা চুটি (সময় এককাল) কৰিব, দীৰ্ঘ নহয়।
- দীৰ্ঘ **আ, ঈ, ঊ, ৠ, ৡ, এ, ঐ, ও, ঔ** - এই বৰ্ণকেইটাৰে হোৱা বৰ্ণৰ উচ্চাৰণ দীৰ্ঘ বা দীঘল (সময় দুইকাল) কৰিব, হ্ৰস্ব নহয়।

## অনুস্বাৰ উচ্চাৰণৰ নিয়ম –

- অনুস্বাৰ - ই এনে বৰ্ণ যি আন স্বৰবৰ্ণক অনুসৰণ কৰে, অৰ্থাৎ এটা স্বৰবৰ্ণৰ পিচত বহে আৰু ইয়াক **নাকেৰে** উচ্চাৰণ কৰা হয়।
- অনুনাসিক - ই এনে বৰ্ণ যাক মুখ আৰু নাকেৰে উচ্চাৰণ কৰা হয়।
- অনুস্বাৰৰ উচ্চাৰণ পৰৱৰ্তী বৰ্ণৰ ওপৰত নিৰ্ভৰ কৰে, অৰ্থাৎ অনুস্বাৰৰ উচ্চাৰণ পৰবৰ্তী বৰ্ণ অনুসৰি সলনি হয়।

## ক বৰ্গ -

- **ক, খ, গ, ঘ, ঙ** - কণ্ঠ্য বৰ্ণ, ইহঁতৰ উচ্চাৰণ কন্ঠ অৰ্থাৎ ডিঙিৰ পৰা হয়।
- এই বৰ্গৰ অনুনাসিক বৰ্ণ **'ঙ্'**, সেয়েহে এই বৰ্গৰ বৰ্ণৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ **'ঙ্'** হয়। যেনে - **কংকণ (কঙ্কণ)**, **গংগা (গঙ্গা)**, **পংখ (পঙ্খ)**, **সংঘ (সঙ্ঘ)**
- **'ক্ষ'** সংযুক্ত বৰ্ণ **(ক্+ষ = ক্ষ)**, ইয়াৰ প্ৰথম বৰ্ণ **'ক্'**, গতিকে **'ক্ষ'** বৰ্ণৰ আগৰ অনুস্বাৰৰ উচ্চাৰণ **'ঙ্'** হয়। যেনে - সংক্ষিপ্ত **(সঙ্ক্ষিপ্ত)**

## চ বৰ্গ -

- **চ, ছ, জ, ঝ, ঞ** - তালব্য বৰ্ণ, ইহঁতৰ উচ্চাৰণ তালুৰ পৰা হয়।
- এই বৰ্গৰ অনুনাসিক বৰ্ণ **'ঞ'**, সেয়েহে এই বৰ্গৰ বৰ্ণৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ **'ঞ'** হয়। যেনে - **চংচল (চঞ্চল), পংছী (পঞ্ছী), পংজা (পঞ্জা), ৰাংঝা (ৰাঞ্ঝা)**
- **'জ্ঞ'** সংযুক্ত বৰ্ণ **(জ্+ঞ = জ্ঞ)**, যাৰ প্ৰথম বৰ্ণ **'জ্'**, গতিকে **'জ্ঞ'** বৰ্ণৰ আগৰ অনুস্বাৰৰ উচ্চাৰণ **'ঞ'** হয়। যেনে - **ইদং + জ্ঞানম্ (ইদঞ্ জ্ঞাম্)**

## ট বৰ্গ -

- **ট, ঠ, ড, ঢ, ণ** - **মূৰ্ধন্য** বৰ্ণ, ইহঁতৰ উচ্চাৰণ **মূৰ্ধা** অৰ্থাৎ তালু আৰু দাঁতৰ মাজ ভাগৰ পৰা হয়।
- এই বৰ্গৰ অনুনাসিক বৰ্ণ **'ণ্'**, সেয়েহে এই বৰ্গৰ বৰ্ণৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ **'ণ্'** হয়। যেনে - **ঘংটা (ঘণ্টা), কংঠ (কণ্ঠ), পংডিত (পণ্ডিত), ষংঢ (ষণ্ঢ)**

## ত বৰ্গ -

- **ত, থ, দ, ধ, ন** - **দন্ত্য** বৰ্ণ, ইহঁতৰ উচ্চাৰণ দাঁতৰ পৰা হয়।
- এই বৰ্গৰ অনুনাসিক বৰ্ণ **'ন্'**, সেয়েহে এই বৰ্গৰ বৰ্ণৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ **'ন্'** হয়। যেনে - **পংত (পন্ত), পংথ (পন্থ), কংদ (কন্দ), অংধ (অন্ধ)**
- **'ত্ৰ'** সংযুক্ত বৰ্ণ **(ত্+ৰ = ত্ৰ)**, যাৰ প্ৰথম বৰ্ণ **'ত্'**, গতিকে **'ত্ৰ'** বৰ্ণৰ আগৰ অনুস্বাৰৰ উচ্চাৰণ **'ন্'** হয়। যেনে - **তংত্ৰ (তন্ত্ৰ)**

## প বৰ্গ -

- **প, ফ, ব, ভ, ম** - **ওষ্ঠ্য** বৰ্ণ, ইহঁতৰ উচ্চাৰণ ওঁঠৰ পৰা হয়।
- এই বৰ্গৰ অনুনাসিক বৰ্ণ **'ম্'**, সেয়েহে এই বৰ্গৰ বৰ্ণৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ **'ম্'** হয়। যেনে - **চংপা (চম্পা), ইংফাল (ইম্ফাল), সংবল (সম্বল), দংভ (দম্ভ)**

## বিশিষ্ট বৰ্গ –

**‘ক’**-ৰ পৰা **‘প’** বৰ্গলৈ ব্যঞ্জনবোৰৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ কেনেকৈ কৰিব পাৰি দেখিলো। এতিয়া **‘য়’**-ৰপৰা **‘হ’**-লৈ এই বৰ্ণবোৰৰ আগত বহা অনুস্বাৰৰ উচ্চাৰণ কেনেকৈ কৰিব পাৰি চাওঁচোন। উচ্চাৰণ স্পষ্টকৈ বুজিবলৈ, এই বৰ্ণবোৰ বন্ধনীত লিখা হৈছে। মন কৰিব বন্ধনীত লিখা বৰ্ণবোৰ বাস্তৱতে নাই, কেৱল অনুস্বাৰ উচ্চাৰণৰ স্পষ্টতাৰ বাবে আৰু প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ সুবিধাৰ বাবে ইয়াত সেইবোৰ তেনেদৰে উল্লেখ কৰা হৈছে।

### শব্দৰ মাজত অনুস্বৰ থাকিলে আৰু অনুস্বাৰ পিছত ‘য়’ৰ পৰা ‘হ’-লৈ বৰ্ণ আহিলে এই অনুস্বাৰৰ উচ্চাৰণ -

এইক্ষেত্ৰত অনুস্বাৰৰ উচ্চাৰণ আনুনাসিক **‘য়ঁ্’**, **‘লঁ্’**, বা **‘ৱঁ্’** উচ্চাৰণ কৰা হয়।

- **য়** - সংয়ম [সং(য়ঁ্)য়ম], সংয়োগিতা [সং(য়ঁ্)যোগিতা], সংয়ুক্ত [সং(য়ঁ্)য়ুক্ত]
- **ল** - সংলগ্ন [সং(লঁ্)লগ্ন], সংলাপ - [সং(লঁ্)লাপ]
- **ৱ** - সংৱাদ [সং(ৱঁ্)ৱাদ], সংৱৰ্ধন [সং(ৱঁ্)ৱৰ্ধন], সংৱেদনা [সং(ৱঁ্)ৱেদনা]
- **ৰ** - সংৰচনা [সং(ৱ্)ৰচনা], সংৰক্ষন [সং(ৱ্)ৰক্ষন], সংৰেখণ [সং(ৱঁ্)ৰেখণ]
- **শ/ষ** - সংশয় [সং(ৱঁ্)শয়], বংশ [বং(ৱঁ্)শ], দংশ [দং(ৱঁ্)শ], দংষ্ট্ৰা [দং(ৱঁ্)ষ্ট্ৰা]), সংশ্ৰয় [সং(ৱঁ্)শ্ৰয়]
- **স** - কংস [কং(ৱঁ্)স], সংসাৰ [সং(ৱঁ্)সাৰ], সংসৰ্গ [সং(ৱঁ্)সৰ্গ]
- **হ** - সিংহ [সিং(ৱঁ্)হ], সংহাৰ [সং(ৱঁ্)হাৰ], সংহিতা [সং(ৱঁ্)হিতা]

### শব্দৰ শেষত অনুস্বৰ থাকিলে অনুস্বাৰৰ পিছত ‘য়’ৰ পৰা ‘হ’- লৈ বৰ্ণৰে আৰম্ভ হোৱা শব্দৰ ক্ষেত্ৰত অনুস্বাৰৰ উচ্চাৰণ -

- **য়** - ধৰ্ম্যমৃতমিদং(য়ঁ্) য়থোক্তম্
- **ৰ** - লোকামিমং(ম্) ৰবি:
- **ল** - তাদোত্তমৱিদাং(লঁ্) লোকান্
- **ৱ** - ধ্যান(ৱঁ্) ৱিশষ্যতে
- **শ / ষ** - ইদং(ম্) শৰীৰম্
- **স** - এৱং(ম্) সতত
- **হ** - ক্ষয়ং(ম্) হিংসাম্

# বিসৰ্গ উচ্চাৰণৰ নিয়ম -

## নিয়ম ১: শাৰীৰ শেষত থকা বিসৰ্গৰ উচ্চাৰণ -

বিসৰ্গ সদায় স্বৰবৰ্ণৰ পিচত আহে। ভগৱদ্গীতাত, কোনো শাৰীৰ শেষত অহা বিসৰ্গৰ উচ্চাৰণ শেষৰ স্বৰবৰ্ণ অনুসৰি **হ, হা, হি, হু, হে** ইত্যাদিলৈ পৰিৱৰ্তিত হয়।

**বিসৰ্গৰ আগৰ স্বৰবৰ্ণ -**

- যদি **'অ'** হয়, তেন্তে বিসৰ্গৰ উচ্চাৰণ **'হ/হা'** হ'ব। যেনে - **সংশয়ঃ - সংশয়হ/ সংশয়হা**
- যদি **'আ'** হয়, তেন্তে বিসৰ্গৰ উচ্চাৰণ **'হা'** হ'ব। যেনে - **ৰতাঃ - ৰতাহা**
- যদি **'ই', 'ঈ'** বা **'ঐ'** হয়, তেন্তে বিসৰ্গৰ উচ্চাৰণ **'হি'** হ'ব। যেনে - **মতিঃ - মতিহি**
- যদি **'উ', 'ঊ'** বা **'ঔ'** হয়, তেন্তে বিসৰ্গৰ উচ্চাৰণ **'হু'** হ'ব। যেনে - **কুৰুঃ - কুৰুহু**
- যদি **'এ'** হয়, তেন্তে বিসৰ্গৰ উচ্চাৰণ **'হে'** হ'ব। যেনে - **ভূমেঃ - ভূমেহে**
- যদি **'ও'** হয়, তেন্তে বিসৰ্গৰ উচ্চাৰণ **'হো'** হ'ব। যেনে- **মানাপমানয়োঃ - মানাপমানয়োহো**

## নিয়ম ২: কেইটামান নিৰ্দিষ্ট বৰ্ণৰ আগত থকা বিসৰ্গৰ উচ্চাৰণ –

দুটি শব্দৰ মাজত থকা বিসৰ্গৰ উচ্চাৰণ তাৰ পিচৰ বৰ্ণ অনুসৰি কৰা হয় -

- বিসৰ্গৰ পিচত **'ক্'** বা **'খ্'** বৰ্ণ থাকিলে তেনে বিসৰ্গৰ উচ্চাৰণ **'খ্'** দৰে কৰা হয়। মন কৰিব, উচ্চাৰণ **'খ্'** দৰে হব, একেবাৰে **'খ্'** নহয়।

  যেনে- **মৈত্ৰ: কৰুণ এৱ চ - মৈত্ৰ:(খ্) কৰুণ এৱ চ**
- বিসৰ্গৰ পিচত **'প্'** বা **'ফ্'** বৰ্ণ থাকিলে তেনে বিসৰ্গৰ উচ্চাৰণ **'ফ্'** দৰে কৰা মন কৰিব, উচ্চাৰণ **'ফ্'** দৰে হব, একেবাৰে **'ফ্'** নহয়।

  উদাহৰণস্বৰূপ- **ততঃ পদং তৎপৰিমাৰ্গিতব্যম্ - ততঃ(ফ্) পদং তৎপৰিমাৰ্গিতব্যম্**
- বিসৰ্গৰ পিচত **'স্', 'শ্'** বা **'ষ্'** বৰ্ণ থাকিলে তেনে বিসৰ্গৰ উচ্চাৰণ যথাক্ৰমে **'স্', 'শ্'** আৰু **'ষ্'**-ৰ দৰে হব।উদাহৰণ: **য়োমদ্ভক্তঃ স মে প্ৰিয়ঃ= য়ৌ মদ্ভক্তস্ স মে প্ৰিয়ঃ**

  **ঊৰ্ধ্বমূলমধঃ শাখম্ = ঊৰ্ধ্বমূলমধশ্ শাখম্**

  **মনঃ ষষ্ঠানীন্দ্ৰিয়াণি = মনষ্ ষষ্ঠানীন্দ্ৰিয়ণি**

**বিশেষ নিয়ম** - যদি বিসৰ্গৰ পিচত 'ক্ষ' বৰ্ণ আছে তেন্তে সেই বিসৰ্গৰ উচ্চাৰণ নিয়ম ১-ৰ মতে **হ, হি, হু, হে** হব। উদাহৰণ - **তেজঃ ক্ষমা = তেজহ ক্ষমা**

# বিসৰ্গ সন্ধি বিধি -

সন্ধি কৰাৰ সময়ত, ভগৱদ্গীতাত অনেক ঠাইত **ৰ্**, **স্**, **শ্**, **ষ্**-ৰ ক্ষেত্ৰত বিসৰ্গৰ পৰিৱৰ্তন দেখা যায়। অনেক ক্ষেত্ৰত এই পৰিৱৰ্তনসমূহ বিসৰ্গ সন্ধিৰ নিয়মৰ কাৰণে হয়। সেই নিয়ম সমূহ অতি বিস্তাৰিত, সেয়েহে তাৰ ব্যাখ্যা পৰৱৰ্তী স্তৰত কৰা হব। এইখন পি.ডি.এফ.-ত যি সমূহ পৰিৱৰ্তন দেখুওৱা হৈছে তাকে অনুশীলন কৰিব।

উদাহৰণ - **বুদ্ধিঃ য়ো - বুদ্ধির্য়ো, পৰয়োপেতাঃ তে - পৰয়োপেতাস্তে, ৱেদৈঃ চ - ৱেদৈশ্চ**

**ইয়াত এইটো মন কৰিব যে বিসৰ্গৰ পিচত উপৰোক্ত বৰ্ণবিলাকৰৰ কোনোবাটো যোগ কৰাৰ পিচত, বিসৰ্গৰ উচ্চাৰণ নিয়ম ১-ৰ মতে হ, হা, হি, হু, হে ইত্যাদিৰ দৰে হব।**

## অৱগ্ৰহ (ঽ) -

অৱগ্ৰহ **'ঽ'** চিনে, সন্ধি দ্বাৰা সৃষ্ট 'অকাৰ(অ)' লোপ হোৱাৰ ইঙ্গিত দিয়ে। অৱগ্ৰহৰ কোনো নিৰ্দিষ্ট উচ্চাৰণ নাই। সন্ধি-বিগ্ৰহৰ সময়ত যাতে অৰ্থৰ কোনো বৈষম্য নহয় তাৰ বাবে অৱগ্ৰহৰ ব্যৱহাৰ হয়। যেনে - প্ৰয়াণকালে + অপি - প্ৰয়াণকালেঽপি

## আঘাত উচ্চাৰণৰ নিয়ম -

- যেতিয়া একে ঠাইত সংযুক্ত বৰ্ণ (দুটা ব্যঞ্জনৰ সংমিশ্ৰণ) থাকে, প্ৰথম স্বৰবৰ্ণত আঘাত দিয়া হয়। আঘাত থকা ঠাইত প্ৰতিটো পদৰ বৰ্ণৰ ওপৰত এটা '||' প্ৰতীক দিয়া হৈছে।
  যেনে - **ক্ষ(ক্+ ষ), ত্ৰ(ত্+ৰ), জ্ঞ(জ্ + ঞ), ত্য(ত্+ য়), ব্য(ৱ্+ য়)** আদি সংযুক্ত বৰ্ণ।
  উদাহৰণ - **মৱ্যক্তম্= মৱ্+ ৱ্যক্ +ক্তম্  মে প্ৰিয়ঃ = মেপ্+ প্ৰিয়ঃ**
- কোনো ব্যঞ্জনবৰ্ণ যদি স্বৰবৰ্ণৰ লগত যোগ হয় তেন্তে সি সংযুক্ত বৰ্ণ নহয়, গতিকে তেনে ঠাইত আঘাত নহয়। উদাহৰণ – 'ঋ' একটি স্বৰবৰ্ণ, গতিকে **'বিসৃজাম্যহম্'**-ত, **'সৃ = স্+ঋ'**-ৰ আগত **'বি'**-ত আঘাত নহয়। আঘাত কেৱল সংযুক্ত বৰ্ণৰ পূৰ্বৰ স্বৰবৰ্ণত দিয়া হয়; ব্যঞ্জন, অনুস্বাৰ বা বিসৰ্গত নহয়। উদাহৰণ: **'বাসুদেৱং(ৱ্ঁ) ব্ৰজপ্ৰিয়ম'**-ত **'ব্ৰ'** সংযুক্ত বৰ্ণ হলেও, তাৰ আগৰ অনুস্বাৰ থকাৰ বাবে 'ব্ৰ'-ত আঘাত নহয়।
- কোনো স্থানত স্বৰবৰ্ণৰ পিচত সংযুক্ত বৰ্ণ হলেও অপবাদ নিয়মৰ বাবে আঘাত নহয়:
  ১. একেটা বৰ্ণ দুবাৰ আহিলে – ময়্যাৱেশ্য-ত **ম**-ত, **ওত্তি**ষ্ঠ-ত **ও**-ত আঘাত নাহে।
  ২. তিনিটা ব্যঞ্জনবৰ্ণ সংযোগ হলে – ভক্ত্যা-ত **ভ**-ত, য়েন্দ্ৰীয়-ত **য়ে**-ত আঘাত নাহে।
  ৩. প্ৰথম বৰ্ণত ৰেফ অথবা হ-কাৰ হলে - সৰ্ৱত্ৰ-ত **স**-ত, গুহ্য-ত **গু**-ত আঘাত নাহে।

**সংস্কৃত ভাষাৰ বৰ্ণবিলাকৰ উচ্চাৰণৰ বাবে মুখৰ কেইটামান বিশেষ স্থান ব্যৱহৃত হয়। এই ছবিত বৰ্ণবিলাকৰ উচ্চাৰণৰ স্থানসমূহ দেখুওৱা হৈছে। নিৰ্দিষ্ট স্থান ব্যৱহাৰ কৰি আমি আমাৰ উচ্চাৰণসমূহ যথাসম্ভৱ নিখুঁট কৰিব পাৰোঁ। বৈজ্ঞানিক ভাবে সমৃদ্ধ সংস্কৃত ভাষাৰ বিভিন্ন উচ্চাৰণ স্থান তলত দিয়া চিত্ৰৰ সহায়ত জানিব পৰা হ'ব।**




॥ ইতি ॥

*গীতা পৰিৱৰ সাহিত্য আন যিকোনো ঠাইত ব্যৱহাৰৰ বাবে পূৰ্ব অনুমতিৰ প্ৰয়োজন। অনুমতিৰ উদ্দেশ্যে consent@learngeeta.com-ত আমালৈ লিখক।*